# একবিংশ শতিকাৰ
# পৰিৱৰ্তিত অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতি

সম্পাদনাঃ

ড° প্ৰণৱ ফুকন, প্ৰাঞ্জল দত্ত

**Ekabingsha Satikar Paribortito Asamiya Bhasa, Sahitya, Aru Sanskriti** : A book on Assamese language, literature and culture edited by Dr. Pranab Phukan & Pranjal Dutta, Sarupathar College, Sarupathar -785601, Goolaghat, Assam

Price : 230/ ISBN : 978-93-92483-06-6

---

প্ৰকাশক : ড° প্ৰণৱ ফুকন
অসমীয়া বিভাগ
সৰুপথাৰ মহাবিদ্যালয়, সৰুপথাৰ

গ্ৰন্থস্বত্ব : ড° প্ৰণৱ ফুকন

প্ৰথম প্ৰকাশ : ২৫ জানুৱাৰী, ২০২৪

বেটুপাতৰ শিল্পী : ঋতুবাস্তৱ হাজৰিকা

অক্ষৰ বিন্যাস : ঘনকান্ত ফুকন

ISBN : 978-93--340-0303-1

মূল্য : ২৩০.০০ ( টকা) মাত্ৰ।

মুদ্ৰণ : সংস্কৃতি প্ৰকাশন, যোৰহাট

All right reserved. No part of this work may be reproduced, stored, in a retrival system, or transmitted in any form or by any means, electronic, mechanical, photocopying, recording or otherwise.

- পৰম্পৰা-পৰিৱৰ্তন আৰু সমন্বয়ৰ সাজেৰে
অসমীয়া বিয়া ❑ড° গীতা শৰ্মা পৃ. ৭৬

- সামাজিক লোকাচাৰ, লোক ঔষধ আৰু লোকধৰ্ম ঃ
এক বিশ্লেষণাত্মক আলোচনা ❑ড° বৰ্ণালী বৰঠাকুৰ পৃ. ৮৬

- টাই আহোমৰ সাজপাৰ আৰু খাদ্যসম্ভাৰ ঃ সমন্বয়
আৰু পৰিবৰ্তন ❑মামনি গগৈ পৃ. ৯২

- অসমীয়া ভাষাৰ অকৰ্মকতা বিচাৰ ঃ চমু আলোচনা
❑ড° ঋতুপৰ্ণা বড়াগোহাঞিপৃ. ৯৭

- অসমৰ পৰম্পৰাগত ভাওনা সংস্কৃতিৰ বৰ্তমান
অৱস্থাৰ এক মূল্যায়ন ❑মালামণি গোস্বামী পৃ. ১০২

- **Humanism in Selected Lyrics of**
**Dr. Bhupen Hazarika** ❑**Pranjal Dutta** পৃ. ১১৮

- **Reconstructing History:**
**A Study of Few Assamese Novels of**
**the 21st Century** ❑**Mr. Bedabrata Bora**
**Mr. Tralokya Kalita** পৃ. ১২৪

- একবিংশ শতিকাৰ মহিলা ৰচিত অসমীয়া
আত্মজীৱনী ❑ড° স্বাতী কিৰণ

# অসমৰ পৰম্পৰাগত ভাওনা সংস্কৃতিৰ বৰ্তমান অৱস্থাৰ এক মূল্যায়ন

**মালামণি গোস্বামী**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
গোলাঘাট পূৰ্বাঞ্চলিক মহাবিদ্যালয়

কোনো এটা জাতিয়ে স্বকীয়তা, ভাৱাদৰ্শ, ৰীতি-নীতি, কাৰ্য-পদ্ধতি, পৰিপালন, পৰিপোষণ কৰাৰ বাবে নিৰ্দিষ্ট এটা আদৰ্শক মাধ্যম ৰূপে গ্ৰহণ কৰাকে, সেই জাতিৰ সংস্কৃতি বুলি ধৰি লোৱা হয়। তেনেদৰে সময়ৰ গতিশীলতাৰ লগে লগে আগুৱাই আহোতে তাৰ সাল-সলনি, সংযোজন-বিয়োজনকেই পৰম্পৰা বুলি ধৰি লোৱা হয়। এই দৃষ্টিকোণেৰে ভাওনা অসমৰ এক পৰম্পৰাগত সংস্কৃতি। খৃষ্টীয় পঞ্চদশ শতিকাৰ শেষাৰ্দ্ধ আৰু ষোড়শ শতিকাৰ প্ৰথমাৰ্দ্ধত সংলাপহীন 'চিহ্নযাত্ৰা'ৰ পৰিৱেশনেৰে শংকৰদেৱে 'ভাওনা'ৰ শুভাৰম্ভ কৰে। 'চিহ্নযাত্ৰা'ৰ পৰা সাম্প্ৰতিক সময়লৈকে ভাওনাই স্বকীয় ভাৱাদৰ্শ, ৰীতি-নীতি, কাৰ্য-পদ্ধতি আদি পৰম্পৰাৰে ভক্তিধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ দ্বাৰা অসমৰ সংস্কৃতিৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগতে সংশোধন আৰু পৰিবৰ্দ্ধনেৰে গতিশীলতা প্ৰদান কৰিছে।

বৰ্তমানৰ প্ৰেক্ষাপটত ভাওনা সংস্কৃতিৰ বিষয়ে পৰ্যাপ্ত আলোচনা পোৱা নাযায়। অৱশ্যে বৰ্তমান অনুষ্ঠিত হোৱা ভাওনা প্ৰতিযোগিতাৰ উপলক্ষে প্ৰকাশিত দুই-এক স্মৃতি গ্ৰন্থত ভাওনাৰ অন্য দিশ কিছুমানৰ ওপৰত কিছু আলোচনা পৰিদৃশ্যমান হ'লেও এই বিষয়ৰ আলোচনা চকুত পৰা নাই। সেয়ে এই আলোচনাত অসমত পৰম্পৰাগত ভাৱে অভিনীত হৈ অহা ভাওনা সংস্কৃতিৰ বৰ্তমান অৱস্থাৰ বিষয়ে এক মূল্যায়ন আগবঢ়াবলৈ চেষ্টা কৰা হ'ব।

**বিষয়বস্তুৰ পৰিচয় ঃ**

'ভাওনা' শব্দ সংস্কৃত 'ভাৱ' শব্দৰ পৰা উৎপত্তি হৈছে। 'ভাৱ' শব্দৰ পৰাই 'ভাও দিয়া' অৰ্থাৎ আন চৰিত্ৰৰ কাৰ্য, বেশ ভূষণ, ভাৱ-ভঙ্গীমাৰ অনুকৰণ